# পখিলা

## অসমীয়া

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। তলৰ প্ৰশ্নবাে◌ৰৰ অতি চমু উত্তৰ দিয়া –**

( ক ) পখিলাই কিয় উৰি ফুৰে ?

**উত্তৰঃ** জগতৰ জেউতি চৰাবলৈ ।

( খ ) পখিলাই কিহৰ বাতৰি বিলায় ?

**উত্তৰঃ** সপাে◌নৰ ।

( গ ) বিধাতা কোন ?

**উত্তৰঃ** সৃষ্টিকৰ্তা ।

( ঘ ) কবিয়ে ক'ত সৰতৰ বিষাদ – বিননি নাই বুলি কৈছে ?

**উত্তৰঃ** পখিলাই উৰি ফুৰা জগতখনত ।

( ঙ ) যতীন্দ্ৰ নাথ দুৱৰাক কি কবি বুলি জনা যায় ?

**উত্তৰঃ** বনফুল'ৰ কবি বুলি ।

**প্ৰশ্ন ২। পখিলাই কিয় নিজকে অকলশৰীয়া বুলি কৈছে ?**

**উত্তৰঃ** পখিলাই ৰংমনেৰে উলাহৰ গীত গাই আকাশত উৰি ফুৰে । পখিলাৰ আলাসতে ঘৰ বাৰী , মৰতৰ স'তে কোনাে◌ সম্পৰ্ক নাই । মৰতৰ স'তে সম্পৰ্ক নথকা পখিলাই লগ ক'ত পাব ? সেয়ে পখিলাই নিজকে অকলশৰীয়া বুলি কৈছে ।

**প্ৰশ্ন ৩। ‘ ক্ষন্তেকীয়া জীৱনৰ / ক্ষুদ্ৰ অভিনয় / শেষ হ’ব কালৰ হাতত ’ কবিতাফাঁকিৰ তাৎপৰ্য বুজাই লিখা ।**

**উত্তৰঃ** জীৱন ক্ষণস্থায়ী । জীৱনৰ সুখ – দুখ , হাঁহি কান্দোন , আনন্দ বেদনা সকলাে বাে ৰ ক্ষন্তেক সময়ৰ বাবেহে । এই বিশাল বিশ্ব – সংসাৰৰ বুকুত আমি মহাে কিছুদিনৰ বাবে অভিনয়হে কৰোঁ । জীৱন নাটৰ সামৰণি পৰাৰ লগে লগে অভিনয়ে শেষ হয় । কালৰ দ্বাৰা নিয়ন্ত্ৰিত এই জীৱন , মৃত্যুৰ লগে লগে কালৰ বুকুতেই লীন হৈ যায় ।

**প্ৰশ্ন ৪। কবিয়ে পখিলাৰ জীৱন কেনেকুৱা বুলি কৈছে ? পাঠৰ আধাৰত জাই লিখা ।**

**উত্তৰঃ** কবিৰ মতে পখিলাৰ জীৱন বৰ অনুপম । বৰ্ণময় ধুনীয়া পখিলাই অকণ অকণ পাখি দুখনিত বেলিৰ কিৰণ সানি জগতৰ জেউতি চৰাই আকাশত উৰি ফুৰে । নুফুলা ফুলৰ কলিত সাদৰেৰে চুমা দি আপাে ন পাহৰা হৈ উলাহৰ গান গায় । মৰতৰ শাে ক – দুখে পখিলাক স্পৰ্শ নকৰে । পখিলাৰ জগতখনত সৰগৰ সৌন্দৰ্যৰ নিজৰা বৈ থাকে , বতাহত ভাঁহি আহে গীতৰ সুমধুৰ সুৰ । সূৰ্য্যৰ সাে ণালী কিৰণে আৱৰি ৰখা পখিলাই এই গুণ শুনি আবেগত কঁপি উঠে । আলাসতে ঘৰ – বাৰী থকা অকলশৰীয়া পখিলাৰ মৰতৰ স’তে কোনাে সম্পৰ্ক নাই । কিন্তু এনেকুৱা সুন্দৰ বৰ্ণময় জীৱনৰ অধিকাৰী পখিলাইও নিয়তিৰ হাতৰ পৰা সাৰি নাযায় । এদিন পখিলাৰো মৃত্যু হয় ।

**প্ৰশ্ন ৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা –**

( ক ) সৰিব গছৰ পাত শুকাব ফুলনি

কুঁৱলীয়ে ঢাকিব কিৰণ ,

পুৰণিক আঁতৰাই পাতিব জগতে

নতুনৰ নৱ আয়াে জন ।

**উত্তৰঃ** কবিতাফাঁকি ‘ বনফুল ’ ৰ কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱে ৰচনা কৰা , আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট ৰাে মান্টিক কবিতা ‘ পখিলা ’ ৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

কবিতাফাঁকিৰ জৰিয়তে জন্ম মৃত্যুৰ চিৰন্তন প্ৰৱাহৰ কথাকে কবিয়ে আমাক কৈছে ।

জীৱন ক্ষণস্থায়ী । এই বিশ্ব – সংসাৰত কোনাে ৱে চিৰকাল নাথাকে । সুখ – দুখ , আনন্দ – বেদনাৰে ভৰা এই জীৱন মাথাে কিছুদিনৰ বাবেহে । ফুলনি শুকাই যাে ৱাৰ দৰে

জীৱনাে এদিন মৰহি যায় । সূৰ্য্যৰ কিৰণ কুঁৱলীয়ে ঢাকি ধৰাৰ দৰে , মৃত্যুৰ শীতল চাঁয়াই জীৱনক আগুৰি ধৰে। গছৰ পৰা পাত সৰি পৰাৰ দৰে জীৱন – বৃক্ষৰপৰা জীৱনো এদিন বৰ দুখ লগাকৈ সৰি পৰে । কিন্তু সৃষ্টিৰ নিয়মানুযায়ী জীৱন – মৃত্যুৰ চকৰি ঘূৰিয়ে থাকে , ই স্তব্ধ নহয় । পাত সৰি যাাৱা গছকে নতুন কুঁহিপাতক আদৰণি জনাাৱাৰ দৰে নতুন নতুন জীৱনক জগতে আদৰণি জনায় ।

( খ ) আঁতৰিম হাঁহি মুখে                পুৰণিৰ স’তে

জীৱনৰ খেলা সাং কৰি ,

মিছাতে বেজাৰ কিয় ?            ঘূৰিছে সদায়

জগতত কালৰ চকৰি ।

**উত্তৰঃ** কবিতাফাঁকি ‘ বনফুল ’ ৰ কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱে ৰচনা কৰা , আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট ৰাােমাণ্টিক কবিতা ‘পখিলা ’ ৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

এই কবিতাফাঁকিৰ জৰিয়তে কবিয়ে চিৰন্তন সত্য মৃত্যুক হাঁহিমুখে আদৰি ল’বলৈ কৈছে ।

এই বিশ্ব – সংহাৰত জন্ম – মৃত্যুৰ চকৰি অবিৰাম ঘূৰি আছে । জন্ম হাাৱা মানেই মৃত্যু অৱধাৰিত / আমাৰ জীৱন যিমানে সুখ আনন্দৰে ভৰা নহওঁক কিয় , গছৰ পৰা পাত সৰাদি ই এদিন জীৱনবৃক্ষৰ পৰা সৰি পৰিবই । পুৰণিক বিদায় দি নতুনক আদৰণি জনাাৱাটোৱে সৃষ্টিৰ নিয়ম । কালৰ সোঁতত আমি সকলাােৱে এদিন হেৰাই যাম আৰু নতুন নতুন জীৱনে ইয়াত আহি কিছুদিনৰ বাবে থিতাপি লবহি । গতিকে , মৃত্যুৰ কথা ভাবি বেজাৰ কৰি নাথাকি ইয়াক হাঁহিমুখে আদৰি ল’ব লাগে ।

**প্ৰশ্ন ৬। ‘ ৰশ্মি ’ শব্দৰ একে অৰ্থবাচক শব্দ কবিতাটিত কি কি আছে বাছি উলিওৱা –**

**উত্তৰঃ** কিৰণ , জেউতি আৰু জাল ।

**প্ৰশ্ন৭। তলৰ পদবাােৰৰ পৰা বিশেষ্য / বিশেষণ বাছি উলিওৱা –**

শূন্য , সাােণালী , বিধাতা , ক্ষন্তেক , ফুলনি , শূন্যতা , সাােণ , অমিয়া , সৰগ , স্বৰ্গীয় ।

**উত্তৰঃ**

| বিশেষ্য | বিশেষণ |
|---|---|
| সা◌েণ | সা◌েণালী |
| বিধাতা | স্বৰ্গীয় |
| ফুলনি | অমিয়া |
| সৰগ | শূন্য |
| শূন্যতা | ক্ষন্তেক |

**প্ৰশ্ন ৮। শব্দৰ পাৰ্থক্য লিখা –**

( ক ) পাত ____।

পাট ____।

( খ ) বাত ____।

বাট____।

( গ ) শৰ_____।

সৰ_____।

( ঘ ) তান_____।

টান_____।

( ঙ ) মহ_____।

ম’হ____।

( চ ) ঘাত____।

ঘাট____।

( ছ ) গল____।

গ’ল_____।

( জ ) পান_____।

পাণ_____।

( ঝ ) কোন____।

কোণ____।

**উত্তৰঃ** ( ক ) **পাত** — গছৰ পাত , কিতাপৰ পাত ।

**পাট** – পাটসূতা , তক্তা , ৰাজা – সিংহাসন , নাদৰ পাট ।

( খ ) **বাত** — এবিধ বেমাৰ , বতাহ , এবিধ মাছ ।

**বাট** – পথ , ওহাৰ ।

( গ ) **শৰ** — কাঁড় , বান , তীৰ ।

**সৰ** — গাখীৰৰ ওপৰত পৰা চামনি ।

( ঘ ) **তান** – সুৰ ।

**টান** — কঠিন , আকৰ্ষণ ।

( ঙ ) **মহ** — এবিধ তেজ – খাোৱা ক্ষুদ্ৰ কীট ।

**ম’হ** – বেঁকা শিঙৰ এবিধ জন্তু , মাহিৰ ।

( চ ) **ঘাত** — আঘাত , প্ৰহাৰ ।

**ঘাট** — নদীৰ ঘাট , যুঁজত হৰা।

( ছ )  **গল** — ডিঙি ।

**গ’ল** — গত , অতীত ।

( জ )  **পান** — পি খাোৱা কাৰ্য ।

**পাণ** — তামােলৰ লগত খাোৱা এবিধ লতাৰ পাত ।

( ঝ )  **কোন** — অনিৰ্দিষ্ট বা অনিশ্চিত ব্যক্তি ।

**কোণ** – চুক ।

**প্ৰশ্ন ৯। শব্দাৰ্থ লিখা –**

অনুপম , উলাহ , সাং কৰি , চুমি , অমিয়া , মাধুৰী , অনন্ত ।

**উত্তৰঃ** অনুপম – তুলনাহীন , যাৰ তুলনা নাই ।

উলাহ – আনন্দ ।

সাং কৰি — শেষ কৰি ।

চুমি — চুহি ।

অমিয়া — অমৃত তুল্য , দেৱতাবিলাকে পান কৰা মিষ্ট এবিধ ৰস ।

মাধুৰী — মিঠা গুণ , মধুৰতা ।

অনন্ত — অন্তহীন , সীমাহীন ।

**প্ৰশ্ন ১০। কোন ঋতুত গছৰ পাত সৰে আৰু কোন ঋতুত গছৰ কুঁহিপাত ওলায় ? সেই ঋতু দুটাত তুমি লক্ষ্য কৰা প্ৰকৃতিৰ পৰিৱৰ্তনৰ ছবি দুখন দাঙি ধৰা ।**

**উত্তৰঃ** শীত কালত গছৰ পাত সৰে আৰু বসন্তকালত গছৰ কুঁহিপাত ওলায় । শীত ঋতুত দিনবােৰ চুটি আৰু ৰাতিবােৰ দীঘল হয় । দিনবােৰ চুটি হাোৱা বাবে আন

ঋতুবােৰতকৈ সূৰ্যৰ পােহৰ আৰু তাপ কমকৈ পােৱা যায় । সেয়েহে বৰ জাৰ অনুভৱ কৰা যায় । মাজে মাজে আকাশ গােমা হয় । পুৱা , গধূলি কুঁৱলী পৰে । কিছুমান ঠাইত বৰফো পৰে । গছৰ পাত সৰি গছবােৰ লঠঙা হয় । বৰষুণ প্ৰায় নহয়েই । হলেও কমকৈ হয় । ঘাঁহ – বনবােৰ মৰি যায়। গােটেই পৰিৱেশটোৱে ধূলিময় হৈ পৰে । শীতল শুকান শুকান ভাব এটা অনুভৱ কৰা যায় ।

বসন্ত ঋতু অহাৰ লগে লগে শীতত ঠৰঙা লগা প্ৰকৃতিখনে যেন প্ৰাণ পাই উঠে । বসন্ত ঋতুত বৰষুণ পৰিবলৈ আৰম্ভ কৰে। ইমান দিনে শুকান হৈ থকা পৃথিৱীখন জীপাল হৈ উঠে । ঘাঁহ – বনবােৰ গজিবলৈ আৰম্ভ কৰে। গছে গছে কুঁহিপাত ওলায় । চৌদিশে দেখা যায় মাথাে সেউজীয়া আৰু সেউজীয়া । নানাৰঙী ফুলবােৰ ফুলি উঠে । পখিলা , ভােমাৰা , মৌ মাখি আৰু ফুলৰ মৌখােৱা নানা চৰায়ে ফুলে ফুলে উৰি ফুৰে। গছৰ ডালত পৰি চৰায়ে গীত গাবলৈ আৰম্ভ কৰে । দিনবােৰ ডাঙৰ হয় । নাতিশীতােষ্ণ পৰিৱেশে মানুহৰ গা – মন জুৰ পেলায় । আকাশত চপ চপৰে মেঘ জমে । কেতিয়াবা মেঘৰ গাজনিয়ে চৌদিশ কঁপাই তােলে । মাজে মাজে ধুমুহা বৰষুণো আহে ।

## প্ৰশ্ন ১১। ‘ পখিলা ’ কবিতাটিৰ মূলভাব লিখা ।

**উত্তৰঃ** যতীন্দ্ৰ নাথ দুৱৰাৰ ‘ পখিলা ’ এটি ৰােমাণ্টিক কবিতা । দুখন বৰ্ণময় ধুনীয়া পাখিৰে পখিলাই পুৱা বেলিৰ কিৰণত আনন্দত নাচি – বাগি ফুলে ফুলে উৰি ফুৰে । ৰূপ-ৰসেৰে ভৰা এই জগতখনিত পখিলাই আনন্দতে উলাহৰ গান গায়। পখিলাৰ জগতখনত মৰতৰ বিষাদ বিননি নাই । তাত আছে সৰগৰ অমিয়া মাধুৰী , সৌন্দৰ্য্যৰ অনন্ত নিজৰা , বতাহত ভাঁহি অহা গীতৰ সুমধুৰ সুৰ । আসালতে ঘৰ – বাৰী থকা পখিলা অকলশৰীয়া । মৰমৰ স’তে পখিলাৰ কোনাে বান্ধোন নাই। কিন্তু নিয়তিৰ বান্ধোনৰ পৰা পখিলাই হাত সাৰিব নােৱাৰে। ইমান ধুনীয়া , ইমান স্ফূৰ্তিত থকা পখিলাৰ জীৱনাে এদিন নিয়তিয়ে কাঢ়ি লৈ যায় । মানুহৰ জীৱনাে তেনেকুৱা । গছৰ সৰাপাত সৰাদি মানুহৰ জীৱনাে এদিন জীৱন বৃক্ষৰ পৰা সৰি পৰে । তেতিয়া ধন – ঐশ্বৰ্য , ৰূপ – সৌন্দৰ্যৰ গৌৰৱ শেষ হৈ যায় । কালৰ সোঁতত আমিও এদিন হেৰাই যাম । জন্ম – মৃত্যুৰ চকৰি সদায় চলি থাকিব।

## প্ৰশ্ন ১২। যতীন্দ্ৰ নাথ দুৱৰাৰ চমু পৰিচয় দাঙি ধৰা।

**উত্তৰঃ** যতীন্দ্ৰ নাথ দুৱৰাৰ ১৮৯২ চনৰ ৪ মাৰ্চ তাৰিখে শিৱসাগৰত জন্ম হয় । ১৯০৯ চনত কলিকতাৰ স্কটচৰ্চাৰ্চ কলেজৰ পৰা বি.এ. উপাধি লয় । ইয়াৰ পিছত আইন পঢ়িবলৈ লয় যদিও সেয়া অসমাপ্ত হৈ ৰয় । দুৱৰাদেৱে ক্ৰমে ডিব্ৰুগড়ৰ জৰ্জ ইন্সটিটিউত , কলিকতাৰ স্কটচৰ্চাৰ্চ কলেজিয়েট স্কুল আৰু ডিব্ৰুগড় কলেজ ( বৰ্তমান কানৈ কলেজ) ত শিক্ষকতা কৰিছিল । ১৯৬১ চনত তেওঁ ডিব্ৰুগড় কলেজৰ পৰাই অৱসৰ লয় । উল্লেখযােগ্য যে ১৯৩৩ ১৯৪৭ চনলৈ দুৱৰাদেৱে কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া

বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত অধ্যাপনা কৰিছিল । অসমীয়া সাহিত্যত ' বনফুল ' ৰ কবিৰূপে খ্যাত যতীন্দ্ৰ নাথ দুৱৰাৰ সাহিত্য সম্ভাৰ হ'ল — ওমৰ তীৰ্থ , কথা কবিতা , আপােন সুৰ , বনফুল , মিলনৰ সুৰ , মৰমৰ সুৰ আদি । তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য হল — জীৱন দৰ্শন , কাৰুণ্য , নিৰাশাবাদ , প্ৰতীক ধৰ্মিতা , ৰাোমাণ্টিকতা , নিভাঁজ শব্দচয়ন আদি । ১৯৬৪ চনৰ ৫ জুলাই তাৰিখে এইগৰাকী কবিৰ মৃত্যু হয় ।